

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৭

মোগলযুগ: সমাজ আৰু সংস্কৃতি

অংশ – ২

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- ভাৰতবৰ্ষলৈ ছাহজাহানৰ স্থাপত্য শিল্পৰ অৱদানৰ বিষয়ে শিকিব ।
- মোগল যুগৰ চিত্রকলাৰ বিষয়ে আলোচনা কৰিব ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ছাহজাহান



- ছাহজাহান আছিল মোগল স্থাপত্যৰ সর্বশ্রেষ্ঠ পৃষ্ঠপোষক । ছাহজাহানৰ কালত মোগল স্থাপত্য শিল্পৰ বিকাশে চূড়ান্ত শিখৰত আৰোহণ কৰিছিল। তেওঁ সৌন্দর্যৰ সাধক আছিল। ছাহজাহানৰ ৰাজত্বকাল কলা-সংস্কৃতিৰ যোগেদি নদন-বদন হৈ পৰিছিল বাবে এই কালছোৱাক মোগল স্থাপত্যৰ 'স্বর্ণযুগ' বুলি কোৱা হয়।

- কিন্তু স্থাপত্য-ভাস্কর্য নির্মাণত মুক্তহস্তে খৰচ কৰি শেষৰফালে তেওঁ সর্বস্বান্ত হৈ পৰিছিল। ছাহজাহানে নির্মাণ কৰা তাজমহল তেওঁৰ পত্নী প্রেমৰ অমৰ সাক্ষী। স্থাপত্য-ভাস্কর্য নির্মাণত আকবৰে মার্বল ব্যৱহাৰৰ সূচনা কৰিছিল। তাজমহল শুধ বগা মার্বলেৰে নির্মাণ কৰা হৈছিল। ইয়াৰ অপূর্ব কাৰুকার্য, মার্বলৰ মনোমোহা সৌন্দর্য, যমুনাৰ পাৰৰ অপৰূপ দৃশ্য- এই সকলোবোৰেই তাজমহলক এক অনন্য মাত্রা প্রদান কৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তাজমহল

পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহলো এটা। আজিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোক তাজমহল চোৱাৰ বাবেই ভাৰতলৈ আহে। কেৱল এয়াই নহয়, আগ্ৰাৰ দুৰ্গৰ ভিতৰতো ছাহজাহানে বহুত অট্টালিকা সজাইছিল। তাৰ ভিতৰত ম'তি মছজিদ আৰু দেৱান-ই-আম বিখ্যাত আছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- ছাহজাহানাবাদ নামেৰে সম্পূৰ্ণ মাৰ্বলৰ কাৰুকাৰ্যৰে তেওঁ এখন অপূৰ্ব চহৰো নিৰ্মাণ কৰিছিল। ছাহজাহানাবাদত তেওঁ চালে চকু ৰোৱা জুমা মছজিদটো সজাইছিল। ছাহজাহানে আজমীৰতো ভালেমান স্থাপত্য নিৰ্মাণ কৰি শিল্প প্ৰীতিৰ চিনাকী দিছিল। পৃথিৱী বিখ্যাত ময়ূৰ সিংহাসন ছাহজাহানৰ দিনতে সাজি উলিওৱা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- দুষ্প্রাপ্য হীৰা, মুকুতা, পান্না আদিৰে সু-সজ্জিত সিংহাসনখন দেখাত এখন খাটৰ দৰে আছিল। অৱশ্যে এই সিংহাসন নাদিৰ ছাহে ভাৰত আক্রমন কৰি মোগলসকলৰ পৰা কাঢ়ি লৈ গৈছিল।



ময়ূৰ সিংহাসন

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



তাজমহল



দেৱান-ই-আম

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ম'তি মজজিদ



মার্বল চহৰ ছাহজাহানাবাদ
আৰু জামা মছজিদ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



জানি থওঁ আহা

- কোনো কোনো বুৰঞ্জীবিদে ছাহজাহানাবাদক মার্বলৰ ৰোম নগৰীৰ লগত তুলনা কৰিব খোজে।
- ময়ূৰ সিংহাসনখন বেবদন খাঁ নামৰ এজন কাৰিকৰে ৭ বছৰ সময়ৰ মূৰত সাজি উলিয়াইছিল।

চিত্র-কলা

- চিত্রকলাৰ দিশতো মোগলসম্রাটসকলে উল্লেখযোগ্য বৰঙণি আগবঢ়াই এই দেশৰ সংস্কৃতি চহকী কৰি থৈ গৈছে। মোগল শিল্পৰ সজীৱ চিত্রায়ন, সুন্দৰ প্রকাশ ভংগী আৰু প্রকৃতি প্রেমে চিত্রশিল্পত এক গতিময় ছন্দ আনি দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- পাৰ্ছীয়ান আৰু ইউৰোপৰ চিত্ৰ শৈলীৰ সমন্বয়ৰে ভাৰতীয় পৰম্পৰা অক্ষুন্ন ৰাখি সম্পূৰ্ণ নতুন নিৰ্মাণ শৈলীৰে মোগলযুগৰ চিত্ৰকলা প্ৰস্তুত কৰা হৈছিল। সমসাময়িক ৰাজনৈতিক ঘটনা, চিকাৰ, প্ৰাকৃতিক দৃশ্য, গছ-লতা আদিয়েই মোগল চিত্ৰশিল্পৰ ঘাই বিষয়বস্তু আছিল।

হুমায়ুন

- বাবৰৰ পুত্ৰ হুমায়ুনো এগৰাকী চিত্ৰপ্ৰেমী আছিল।
- ঘটনাক্ৰমে তেৱোঁ পাৰ্ছীয়ান চিত্ৰশিল্পৰ সান্নিধ্যলৈ আহে আৰু এই চিত্ৰশিল্প ভাৰতলৈ আমদানি কৰে। হুমায়ুনে পাৰস্যৰপৰা দুজন চিত্ৰশিল্পীও ভাৰতলৈ লৈ আহিছিল।

আকবৰ

- সম্ৰাট আকবৰো এজন মানৱদৰদী চিত্ৰপ্ৰেমী আছিল। সেই সময়ৰ ৰক্ষণশীল মোগল সমাজত থকা নিষেধাজ্ঞা ভংগ কৰি তেওঁ কলা-সংস্কৃতিত এক বিৱৰ্তনৰ সূচনা কৰিছিল। চিত্ৰশিল্পৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ সুলভ মূল্য নিৰ্ধাৰণ কৰি আকবৰে ভাৰতীয় জাতীয় চিত্ৰকলাৰ ভেটি তৈয়াৰ কৰিছিল। চিত্ৰশিল্পৰ তদাৰক কৰিবলৈ আকবৰে এটা সুকীয়া বিভাগৰ সৃষ্টি কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জাহাংগীৰ

- চিত্রপ্রেমী জাহাংগীৰ শাসনকালত মোগল চিত্রশিল্পই চৰম উৎকর্ষ সাধন কৰিছিল। কল্পনাৰ পৰিৱর্তে বাস্তৱক প্রাধান্য দিবলৈ তেওঁ চিত্রকৰ সকলক আহ্বান জনাইছিল। জাহাংগীৰৰ দিনত ক্ষুদ্র চিত্রশিল্পইও এক সুকীয়া আসন দখল কৰিছিল। বিখ্যাত চিত্রকৰ মনচুৰ, মুৰাদ, বিষণদাস আদিয়ে জাহাংগীৰৰ ৰাজসভা শুৱনি কৰিছিল। এওঁৰ দিনত ভাৰতৰ বিভিন্ন প্রান্তত বহুতো চিত্রশিল্পৰ বিদ্যালয় গঢ় লৈ উঠিছিল।

দাৰা

- ছাহজাহানে চিত্রশিল্পৰ জগতলৈ আগবঢ়োৱা অৱদান নগন্য যদিও তেওঁৰ পুত্র দাৰা এজন চিত্রশিল্পৰ প্রধান পৃষ্ঠপোষক আছিল।
- দাৰা নিজেও এজন চিত্রকৰ আছিল। আজিও ভাৰতীয় সংস্কৃতিত মোগল চিত্রকলাই সমাদৰ লাভ কৰে।

মূল্যায়ন



1 ছাহজাহানাবাদ নামৰ চহৰখন কোনে নিৰ্মাণ কৰিছিল -


A ছাহজাহান

B হুমায়ুন

C জাহাংগীৰ

মূল্যায়ন





2 | কোনো কোনো বুৰঞ্জীবিদে ছাহজাহানাবাদক মার্বলৰ ..... খোজে

ৰ লগত তুলনা কৰিব